অসম বিধান সভা

তৰা চিহ্নিত প্ৰশ্ন নং : ২৬৪

উত্তৰ দানৰ তাৰিখ –২৯/০৭/২০২৬

*বিষয়*: **পুৰণি MGNREGA ৰ সম্পৰ্কে**

বিধায়ক : শ্ৰী আফতাব উদ্দিন মোল্লাঃ

মাননীয় পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

জলেশ্বৰ সমষ্টিত আগৰ MGNREGA-ৰ ২০২৩-২৪ আৰু ২০২৪-২৫ বিত্তীয় বৰ্ষত জলেশ্বৰ উন্নয়ন খণ্ড আৰু কামাখ্যাবাৰী উন্নয়ন খণ্ড দুখনত কিমান টকাৰ Materialsৰ বাবদ payment কৰা হৈছে আৰু এতিয়ালৈকে কিমান টকাৰ Payment কৰিবলগীয়া আছে ? তথ্য সহকাৰে জনাব।

<u>উত্তৰ</u>

মাননীয় পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী **শ্ৰীযুত অতুল বৰা** দেৱে উত্তৰ দিবঃ

জলেশ্বৰ সমষ্টিৰ জলেশ্বৰ উন্নয়ন খণ্ডত, ২০২৩-২৪ বৰ্ষত ৬১.২৮ লাখ টকা আৰু ২০২৪-২৫ বৰ্ষত ৩১.০০ লাখ টকা MGNREGA ৰ অধীনত Materials Payment ৰ বাবদ মোকলাই দিয়া হৈছিল। অন্যহাতে এই দুটা বৰ্ষত সামগ্ৰী যোগানৰ বিপৰীতে দিবলগীয়া টকাৰ পৰিমান ২০২৩-২৪ বৰ্ষত ২৫.৮৪ লাখ টকা আৰু ২০২৪-২৫ বৰ্ষত ২৫.৮৬ লাখ টকা।

জলেশ্বৰ সমষ্টিৰ কামাখ্যাবাৰী উন্নয়ন খণ্ডত, ২০২৩-২৪ বৰ্ষত ১৫৪.২৫ লাখ টকা আৰু ২০২৪-২৫ বৰ্ষত ৫৫৬.৭৫ লাখ টকা MGNREGA ৰ অধীনত Materials Payment ৰ বাবদ মোকলাই দিয়া হৈছিল। অন্যহাতে এই দুটা বৰ্ষত সামগ্ৰী যোগানৰ বিপৰীতে দিবলগীয়া টকাৰ পৰিমান ২০২৩-২৪ বৰ্ষত ১৯.১৩ লাখ টকা আৰু ২০২৪-২৫ বৰ্ষত ২১.২৯ লাখ টকা।

উল্লেখ যোগ্য যে জলেশ্বৰ আৰু কামাখ্যাবাৰী উন্নয়ন খণ্ড দুটালৈ সময়ে সময়ে MGNREGA সামগ্ৰী শিতানত পূঁজি মুকলি কৰি থকা হৈছে।

| বিত্তীয় বৰ্ষ | উন্নয়ন খণ্ড | আবন্টিত পূঁজি (লাখ টকা) |
|---|---|---|
| ২০২৫-২৬ | জলেশ্বৰ | ১০৯.৮৫ (০২/০৪/২০২৫) |
| | জলেশ্বৰ | ৩৮.৯৩ (১০/০২/২০২৬) |
| | খাৰমোজা | ৩৮৫.০৩ (০২/০৪/২০২৫) |
| | কামাখ্যাবাৰী | ১০৯.৫০ (১০/০২/২০২৬) |
| ২০২৬-২৭ | জলেশ্বৰ | ১৮.২৩ (২১/০৬/২০২৬) |
| | কামাখ্যাবাৰী | ১৯২.৪৯ (২১/০৬/২০২৬) |

প্ৰণিধান যোগ্য যে, সামগ্ৰীৰ ধন সমূহ পৰিশোধ কৰোঁতে পুৰণিৰ পৰা নতুনলৈ ক্ৰম অনুসাৰে দিবৰ বাবে বিভাগৰ পৰা নিৰ্দেশনা দিয়া হয়।

******